*Total number of printed pages–7*

**63/1 (SEM–4) CC8/ASMHC4086**

**2025**

**ASSAMESE**

Paper : ASMHC4086

***[Study on Literary Criticism (East and West)]***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থৰ লিখক কোন?

*(i)* হৰিণাথ শৰ্মা দলৈ

*(ii)* ৰামমল ঠাকুৰীয়া

*(iii)* ত্ৰৈলোক্য নাথ গোস্বামী

*(iv)* বাণীকান্ত কাকতি

(খ) বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সংযোগত ৰসৰ নিষ্পত্তি হয় বুলি কোনে কৈছে?

*(i)* ভৰত মুনি

*(ii)* বিশ্বনাথ কবিৰাজ

*(iii)* অভিনৱ গুপ্ত

*(iv)* ভট্টনায়ক

(গ) ঔচিত্যবাদৰ প্ৰধান প্ৰৱক্তা কোন?

*(i)* আনন্দবৰ্দ্ধন

*(ii)* অভিনৱ গুপ্ত

*(iii)* কুন্তক

*(iv)* ক্ষেমেন্দ্ৰ

(ঘ) পাশ্চাত্য দেশৰ ভিতৰত প্ৰথমতে ক'ত সমালোচনাৰ উদ্ভৱ হৈছিল?

*(i)* ৰোম

*(ii)* গ্ৰীছ

*(iii)* ইটালি

*(iv)* ফ্ৰান্স



(ঙ) সাহিত্যত ৰস কেই প্ৰকাৰৰ বুলি ধৰা হয়?

*(i)* ৫

*(ii)* ৭

*(iii)* ৮

*(iv)* ৯

(চ) 'পয়েটিক্‌ছ' নামৰ পুথিখনৰ প্ৰণেতা কোন?

*(i)* কলেৰিজ

*(ii)* এৰিষ্ট'টল

*(iii)* প্লেটো

*(iv)* জনচন

(ছ) কুন্তকে কাক কাব্যৰ জীৱন বুলি কৈছে?

*(i)* ধ্বনি

*(ii)* গুণ

*(iii)* ৰীতি

*(iv)* বক্ৰোক্তি

(জ) কাব্যালোচনাৰ ইতিহাসত ৰীতিবাদৰ প্ৰবক্তা কোন?

*(i)* বামন

*(ii)* ভামহ

*(iii)* কুন্তক

*(iv)* দণ্ডী

(ঝ) "কবিতা হ'ল সংগীতময় চিন্তা" কথাষাৰৰ বক্তা কোন?

*(i)* মিল্টন

*(ii)* কলেৰিজ

*(iii)* কার্লাইল

*(iv)* অডেন

(ঞ) 'সাহিত্য দৰ্শন' পুথিখনৰ লিখক কোন?

*(i)* মুকুন্দ মাধৱ শৰ্মা

*(ii)* মহেন্দ্ৰ বৰা

*(iii)* মনোৰঞ্জন শাস্ত্ৰী

*(iv)* তীৰ্থনাথ শৰ্মা



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) ধ্বনিবাদৰ প্ৰতিষ্ঠাপক কোন? তেওঁ লিখা গ্ৰন্থখনৰ নাম লিখা।

(খ) আলংকাৰিক সকলে উল্লেখ কৰা ৰীতি *তিনিবিধ* কি কি?

(গ) পাশ্চাত্য দৃষ্টিত নাটকৰ বহল ভাগ *দুটা* কি কি?

(ঘ) স্থায়ীভাৱ কাক বোলে?

(ঙ) চুটিগল্পৰ *দুটা* বৈশিষ্ট্য লিখা।

(চ) লক্ষণা কাক বোলে?

(ছ) আৱাহন যুগৰ *দুগৰাকী* গল্পকাৰৰ নাম লিখা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) কাহিনী গীত বা মালিতা সম্পৰ্কে আলোচনা কৰা।

(খ) ৰামধেনু যুগৰ গল্পৰ বিশেষত্ববোৰ কি আলোচনা কৰা।

(গ) কমেডি আৰু ট্ৰেজেডিৰ প্ৰভেদসমূহ বিচাৰ কৰা।

(ঘ) চুটিগল্প আৰু উপন্যাসৰ বৈসাদৃশ্যসমূহ আলোচনা কৰা।

(ঙ) প্ৰকৃতি-বিষয়ক কবিতাৰ বিষয়ে এটি আলোচনা দাঙি ধৰা।

(চ) অসমীয়া জীৱনীমূলক উপন্যাস সম্পর্কে এটা চমু টোকা লিখা।

(ছ) ৰমন্যাসবাদী সাহিত্যৰ বিষয়ে এটি আলোচনা দাঙি ধৰা।

(জ) ব্যভিচাৰী ভাব কেইটা আৰু কি কি? চমুকৈ লিখা।

(ঝ) নাটকৰ প্ৰধান উপাদানসমূহৰ এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(ঞ) অসমীয়া ঐতিহাসিক নাটকৰ বিষয়ে চমুকৈ লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) বিষয়বস্তুৰ ফালৰ পৰা উপন্যাসক কেইটা ভাগত ভগাব পাৰি? সেই ভাগসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) ৰসনিষ্পত্তি কেনেদৰে হয় আলোচনা কৰি ফহিয়াই দেখুওৱা।

(গ) বিভাৱ কি? ই কেই প্ৰকাৰৰ? উদাহৰণসহ বুজাই লিখা।

(ঘ) আধুনিক অসমীয়া নাটকৰ বিকাশৰ ধাৰা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) অসমীয়া গল্প সাহিত্যত জোনাকী যুগৰ অৱদান সম্পৰ্কে আলোচনা কৰা।



(খ) "সমালোচনা সাহিত্য, কবিতা, গল্প, নাটক, উপন্যাস আদিৰ দৰেই এটা ভাগ" কথাষাৰৰ আধাৰত সমালোচনা সম্পৰ্কে বুজাই লিখা।

(গ) বিশ্বনাথ কবিৰাজৰ মতে 'ৰীতি' কাক বোলে? 'ৰীতি'ৰ প্ৰকাৰবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।